**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-07-2025
**Time:** 07-10 Hrs

***Assamese Evening Bulletin***

## ***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰৰ বিভিন্ন বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা যুৱক-যুৱতীসকলক কাইলৈ আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰিব।

২। দেশত দুৰ্লভ চুম্বকৰ উৎপাদন প্ৰসাৰিত কৰাৰ বাবে চৰকাৰে এহেজাৰ ৩৪৫ কোটি টকাৰ ৰাজসাহায্য আঁচনি আৰম্ভ কৰাৰ পৰিকল্পনা কৰিছে।

৩। ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ট'লিং কাৰ্যকলাপ মসৃণ কৰিবলৈ ফাষ্টেগ সংযুক্ত হৈ নথকা বাহনসমূহ ব্লেক লিষ্টিং কৰাৰ প্ৰক্ৰিয়া তীব্ৰতৰ কৰি তুলিছে।

৪। জম্মু-কাশ্মীৰৰ ৰাজ্যিক অনুসন্ধান সংস্থাই সন্ত্ৰাসবাদী বিত্তীয় তদন্তৰ অংশ হিচাপে জম্মু, ডোডা আৰু হান্দৱাড়াৰ তিনিটা অঞ্চলত তালাচী অভিযান চলায়।*আৰু*

৫। এণ্ডাৰছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ লৰ্ডছত অনুষ্ঠিত তৃতীয়খন খেলৰ দ্বিতীয় দিনা আটাইকেইটা উইকেটৰ বিনিময়ত ইংলেণ্ডে ৩৮৭ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ যশপ্ৰীত বুমৰাই ৫টা উইকেট দখল কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰৰ বিভিন্ন বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক কাইলৈ আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰিব। এই উপলক্ষে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰ মাধ্যমেৰে আয়োজন কৰা এটা অনুষ্ঠানত ভাগ লৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে নিযুক্তি পত্ৰসমূহ বিতৰণ কৰাৰ লগতে তেওঁ নৱনিযুক্ত প্ৰাৰ্থীসকলক উদ্দেশ্য কৰি ভাষণ দিব। উল্লেখযোগ্য যে নতুনকৈ নিযুক্তি লাভ কৰা যুৱক-যুৱতীসকলক নিযুক্তিপত্ৰ বিতৰণৰ লক্ষ্যৰে কাইলৈ দেশৰ ৪৭ টা স্থানত যোড়শ ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহত নতুনকৈ প্ৰাৰ্থীক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। দেশৰ ভিন ভিন স্থানৰ পৰা নিযুক্তি লাভ কৰা এই প্ৰাৰ্থীসকলে ৰে'ল, গৃহ পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ শ্ৰম আৰু নিযুক্তি, ডাক বিভাগ আদিকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ত যোগদান কৰিব। চৰকাৰী তথ্য অনুসৰি বৰ্তমানলৈ ৰোজগাৰ মেলাৰ জৰিয়তে সমগ্ৰ দেশতে ১০ লাখতকৈও অধিক যুৱক-যুৱতীক নিযুক্তি দিয়া হৈছে। ৰোজগাৰ মেলাৰ এই ব্যৱস্থা কৰ্ম সংস্থাপন সৃষ্টিক অগ্ৰাধিকাৰ প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰীয়ে দিয়া প্ৰতিশ্ৰুতি ৰক্ষাৰ পদক্ষেপ হিচাপে পৰিগণিত হৈছে।

০০০০০০

দেশত দুৰ্লভ চুম্বকৰ উৎপাদন প্ৰসাৰিত কৰাৰ বাবে চৰকাৰে এহেজাৰ ৩৪৫ কোটি টকাৰ ৰাজসাহায্য আঁচনি আৰম্ভ কৰাৰ পৰিকল্পনা কৰিছে। এই সন্দৰ্ভত আন্তঃমন্ত্ৰালয় আলোচনা অব্যাহত আছে। নতুন দিল্লীৰ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি গুৰু উদ্যোগ মন্ত্ৰালয়ৰ সচিব কমৰান ৰিজৱিয়ে এই কথা অৱগত কৰে। তেওঁ লগতে কয় যে এই আঁচনিয়ে পৃথিবীৰ দুৰ্লভ অক্সাইডসমূহ চুম্বকলৈ ৰূপান্তৰিত কৰাৰ প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। এই ৰাজসাহায্যৰ জৰিয়তে কোম্পানীসমূহে পৃথিবীৰ দুৰ্লভ অক্সাইডসমূহ চুম্বকলৈ ৰূপান্তৰিত কৰাৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ বিনিয়োগৰ সুবিধা লাভ কৰিব। উল্লেখযোগ্য যে চীনে দুৰ্লভ চুম্বকসমূহৰ ৰপ্তানিত বাধা আৰোপ কৰাৰ পাছতে এই প্ৰস্তাৱিত আঁচনিখনৰ পৰিকল্পনা কৰা হৈছে।

০০০০০০০

ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ট'লিং কাৰ্যকলাপ মসৃণ কৰিবলৈ ফাষ্টেগ সংযুক্ত হৈ নথকা অৰ্থাৎ আঠা নলগোৱাকৈ থকা বাহনসমূহ ব্লেক লিষ্টিঙৰ প্ৰক্ৰিয়া তীব্ৰতৰ কৰি তুলিছে। পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে আজি প্ৰকাশ কৰা এটা বিবৃতিত কয় যে টেগ ইন হেণ্ড নামেৰে জনাজাত এই ফাষ্টেগসমূহে ইলেকট্ৰনিক ট'ল সংগ্ৰহৰ কাৰ্যকলাপৰ কাৰ্যক্ষমতাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। মন্ত্ৰালয়ে লগতে কয় যে সময় মতে সংশোধনী ব্যৱস্থা নিশ্চিত কৰিবলৈ ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে এটা নিৰ্দিষ্ট ই-মেইল আই ডি প্ৰদান কৰিছে আৰু এই ইমেইল আই ডিৰ জৰিয়তে ট'ল সংগ্ৰহ সংস্থা আৰু ৰেহাই দাতাসকলক এনে ফাষ্টেগৰ বিষয়ে তৎকলীনভাৱে জনাবলৈ নিৰ্দেশ দিছে। এই পদক্ষেপে ৰাষ্ট্ৰীয় ঘাইপথ ব্যৱহাৰকাৰীসকলৰ বাবে নিৰৱচ্ছিন্ন আৰু আৰামদায়ক যাত্ৰা নিশ্চিত কৰি ট'ল সংগ্ৰহ কাৰ্যকলাপ অধিক সক্ষম কৰি তোলাত সহায় কৰিব।

০০০০০

জম্মু-কাশ্মীৰৰ ৰাজ্যিক অনুসন্ধান সংস্থাই সন্ত্ৰাসবাদী বিত্তীয় তদন্তৰ অংশ হিচাপে জম্মু, ডোডা আৰু হান্দৱাড়াৰ তিনিটা অঞ্চলত তালাচী অভিযান চলায়। সন্ত্ৰাসবাদক ইন্ধন যোগাবলৈ আৰু শান্তি ভংগ কৰিবলৈ ক্ৰিপ্‌ট'কাৰেন্সিৰ জৰিয়তে সীমান্তত ধন যোগান ধৰা ষড়যন্ত্ৰ ফাদিলৰ লক্ষ্য হিচাপে এই তালাচী চলোৱা হৈছিল। ৰাজ্যিক অনুসন্ধান সংস্থাৰ তথ্য অনুসৰি এই অভিযানৰ লক্ষ্য হৈছে যুৱক-যুৱতীসকলক দেশৰ বিৰুদ্ধাচৰণ কৰিবলৈ উচতনি দিয়া লোকসকলক চিনাক্ত কৰি উলিওৱা। ইয়াৰ জৰিয়তে ইলেকট্ৰনিক উপকৰণকে ধৰি বহুতো গুৰুত্বপূৰ্ণ তথ্য উদ্ধাৰ কৰা হয়, যিবোৰে গোপন বিত্তীয় নেটৱৰ্ক উন্মোচন কৰাৰ ক্ষেত্ৰত অগ্ৰগতি হিচাপে চিহ্নিত হৈছে। এই তদন্তৰ ফলত ৰাষ্ট্ৰবিৰোধী গতিবিধিৰ সৈতে মুখ্য সহযোগী ষড়যন্ত্ৰকাৰীসকলক চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰা হ'ব বুলি আশা কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে আজি হায়দৰাবাদত ৰাজভাষা - দক্ষিণ সম্বাদৰ ৫০ বছৰ পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ভাষণ দিয়ে। বালায়োগী ইনড'ৰ ষ্টেডিয়ামত আয়োজিত কাৰ্যসূচীত ভাষণ দি শ্ৰীৰেড্ডীয়ে সংস্কৃতি আৰু ঐতিহ্য সংৰক্ষণত ভাষাৰ উল্লেখযোগ্য ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ হিন্দীক ভাৰতৰ ভাষাৰ বৈচিত্ৰ্যতাক একত্ৰিত কৰা যোগসূত্ৰ হিচাপে অভিহিত কৰে। চৰকাৰী ভাষা বিভাগৰ প্ৰচেষ্টাক প্ৰশংসা কৰি তেওঁ কয় যে চীন, জাপান, ইজৰাইলৰ দৰে ৰাষ্ট্ৰইও নিজ

মাতৃভাষাক অগ্ৰাধিকাৰ দিয়ে। জাতীয় ঐক্য সুদৃঢ় কৰাৰ বাবে ৰাজভাষাক আদৰি ল'বলৈ তেওঁ জনসাধাৰণলৈ আহ্বান জনায়।

০০০০০

গুজৰাটৰ স্বাস্থ্য মন্ত্ৰী ৰুচিকেশ পেটেলে কয় যে চৰকাৰে বডোডৰা দলঙৰ ঘটনাৰ এক উচ্চ পৰ্যায়ৰ অনুসন্ধান কৰাইছে। অনুসন্ধান সমিতিৰ প্ৰাৰম্ভিক তথ্য অনুযায়ী মুজপুৰ-গাম্ভীৰা দলংখন পথচাৰীৰ অত্যাধিক ভিৰ আৰু দলংখনৰ ওপৰত পৰা ভৰৰ বাবে খহি পৰে। শ্ৰীপেটেলে আজি বডোডৰা জিলাৰ মুজপুৰত গাম্ভীৰা দলংখনৰ ঘটনাস্থলী পৰিদৰ্শনৰ সময়ত এই তথ্য সদৰি কৰে। তেওঁ কয় যে সমিতিয়ে ৩০ দিনৰ ভিতৰত এক বিস্তৃত প্ৰতিবেদন প্ৰস্তুত কৰিব।

০০০০০

ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লা আৰু আন তিনিগৰাকী সদস্যক কঢ়িয়াই আনিবলগীয়া Axiom-4 অভিযান অহা ১৪ জুলাইত আৰম্ভ হ'ব বুলি নাছাই প্ৰকাশ কৰিছে। প্ৰতিষ্ঠানটোৰ এগৰাকী শীৰ্ষস্থানীয় বিষয়া ষ্টিভ ষ্টিচ্চে আজি এখন সংবাদমেলত  প্ৰকাশ কৰা মতে তেওঁলোকক কঢ়িয়াই আনিবলগীয়া যানখন ১৪ জুলাইত আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ সৈতে বিচ্ছিন্ন হোৱাৰ কেইঘণ্টামান পাছত যানখনে প্ৰশান্ত মহাসাগৰত অৱতৰণ কৰাৰ পৰিকল্পনা কৰা হৈছে।

০০০০০

আজি বিশ্ব জনসংখ্যা দিৱস। সমগ্ৰ বিশ্বতে জনসংখ্যা বৃদ্ধিৰ ফলত উদ্ভৱ হোৱা প্ৰত্যাহ্বানৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিবছৰে ১১ জুলাইত এই দিৱস পালন কৰা হয়। পৰিৱেশ তথা উন্নয়নকে ধৰি জনসংখ্যাৰ সৈতে জড়িত বিষয়সমূহৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯৯০ চনৰ ডিচেম্বৰত গ্ৰহণ কৰা এটা প্ৰস্তাৱৰ জৰিয়তে বিশ্ব জনসংখ্যা দিৱস পালনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ১৯৯০ চনৰ ১১ জুলাইত বিশ্বৰ ৯০ খনতকৈও অধিক দেশত প্ৰথমবাৰৰ বাবে এই দিৱস পালন কৰা হৈছিল। এইবাৰৰ দিৱসৰ মূল বিষয় হ'ল – মাতৃ আৰু শিশু উভয়ৰে সুস্বাস্থ্য আৰু কল্যাণৰ হকে গৰ্ভধাৰণৰ মাজৰ সময়ৰ উপযুক্ত ব্যৱধান।

ৰাজ্যৰ কেইবাখনো জিলাত আজি বিশ্ব জনসংখ্যা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। জনসংখ্যা বিস্ফোৰণ আৰু ধৰ্মীয় জনসংখ্যাগত অসমতাৰ বিষয় সন্দৰ্ভত জনসংখ্যা সমাধান ফাউণ্ডেছনৰ শাখা অনুষ্ঠানৰ ৰাষ্ট্ৰীয় হিন্দু ফ্ৰণ্টৰ **বৰপেটা** জিলা সমিতিয়ে আজি জিলা আয়ুক্তৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। এই স্মাৰক পত্ৰৰ জৰিয়তে জনসংখ্যা নিয়ন্ত্ৰণ আইন তৎপৰতাৰে প্ৰনয়ণ আৰু কাৰ্যকৰী কৰিবলৈ দাবী জনোৱা হয়। ২০২৩ চনত চলোৱা এটা স্বাক্ষৰ সংগ্ৰহ অভিযানত  এই আইনখনৰ প্ৰতি দেশৰ এক কোটি ২০ লাখতকৈ অধিক লোকৰ সমৰ্থন থকাৰ বিষয়ে তথ্য লাভ কৰা বুলি স্মাৰক পত্ৰখনত উল্লেখ কৰা হৈছে।

০০০০০

ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে আজি আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ দক্ষিণ-পূব দিশে প্ৰায় ৫২ সামুদ্ৰিক মাইল দূৰত্বত আৱদ্ধ হৈ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ দুগৰাকী নাগৰিকক উদ্ধাৰ কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে আৱদ্ধ হৈ পৰা লোক দুগৰাকীয়ে প্ৰেৰণ কৰা বিপদ সংকেত লাভ কৰাৰ পাছত পৰ্ট ব্লেয়াৰৰ সামুদ্ৰিক উদ্ধাৰ সমন্বয় কেন্দ্ৰই এলেকাটোত বিচৰণ কৰি থকা জাহাজসমূহক এই সন্দৰ্ভত সতৰ্ক কৰি

দিয়াকে ধৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে। একেদৰে ভাৰতীয় উপকূল ৰক্ষী বাহিনীয়েও আমেৰিকা যুক্তৰাষ্ট্ৰৰ ‘ছি এঞ্জেল’ নামৰ জাহাজখনক উদ্ধাৰ কৰাৰ বাবে অভিযান চলায়। বাহিনীটোৰ ৰাজৰীৰ নামৰ জাহাজখনেৰে উদ্ধাৰ অভিযান চলোৱা উপকুলৰক্ষীসকল ‘ছি এঞ্জেল’ৰ সৈতে যোগাযোগ স্থাপন কৰিবলৈ সমৰ্থ হয় আৰু প্ৰচণ্ড বতাহত তথা কাৰিকৰী বিজুতিৰ ফলত আৱদ্ধ হৈ পৰা লোক দুজনক সুস্থ অৱস্থাত উদ্ধাৰ কৰে।

ooooo

পাকিস্তানৰ  বেলুচিস্তান প্ৰদেশত অজ্ঞাত বন্দুকধাৰীয়ে কালি সন্ধিয়া কেইবাখনো যাত্ৰীবাহী বাছৰ পৰা  কেইবাগৰাকী যাত্ৰীক নমাই লৈ তাৰ ভিতৰত ৯গৰাকী যাত্ৰীক গুলীয়াই হত্যা কৰে। ঝবৰ ওচৰত সংঘটিত এই আক্ৰমণত বন্দুকধাৰীয়ে যাত্ৰীবাহী বাছখন ৰখাই যাত্ৰীসকলক পৰিচয়-পত্ৰৰ দ্বাৰা চিনাক্ত কৰি  গুলীয়াই হত্যা কৰে। প্ৰাদেশিক চৰকাৰৰ এগৰাকী মুখপাত্ৰই জনোৱা অনুসৰি কালি সন্ধিয়াৰ ভাগত এই ঘটনা সংঘটিত হয়। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি নিহত ৯জন লোকৰ আটাইকেইজনেই কুৱেটাৰ পৰা লাহোৰলৈ যাত্ৰা কৰা পাকিস্তানৰ সামৰিক চোৰাংচোৱা বাহিনীৰ লোক আছিল। এতিয়ালৈকে কোনো সংগঠনেই এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা নাই।

ooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ লৰ্ডছত অনুষ্ঠিত তৃতীয়খন টেষ্টৰ আজি দ্বিতীয় দিনা ঘৰুৱা দল ইংলেণ্ডে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৩৮৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই আজি চাৰিটা উইকেট দখল কৰে। ইংলেণ্ডে কালি ৪ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২৫১ ৰানৰ পৰা আজি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰে। কালি ৯৯ ৰান কৰি অপৰাজিত হৈ থকা জ’ ৰুটে আজি শতক পূৰ্ণ কৰাৰ পাছতেই বুমৰাৰ বলত ১০৪ ৰান কৰি আউট হয়। অধিনায়ক বেন ষ্ট’কছকো ৪৪ ৰানত বুমৰাই আউট কৰে।

পাঁচখনীয়া এণ্ডাৰ্ছন-টেণ্ডুলকাৰ শৃংখলা বৰ্তমান ১-১ ফলাফলত ড্ৰ হৈ আছে।

সমাপ্ত